জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৪১/২০২২

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সংযোজিত ৫ টা বহুকোটি টকীয়া আন্তঃগাঁথনিৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## চিকিৎসা মহাবিদ্যালয়খনক বিশ্বমানৰ চিকিৎসা বিজ্ঞানৰ অধ্যয়ন আৰু সেৱা কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ দৃষ্টিভংগী গ্ৰহণ কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

## গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আধুনিক খেলপথাৰৰ ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৫ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ পূৰ্বাঞ্চলৰ অগ্ৰণী চিকিৎসা প্ৰতিষ্ঠান গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক  বিশ্বমানৰ চিকিৎসা বিজ্ঞানৰ অধ্যয়ন আৰু সেৱাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে সংযোজিত কেইবাটাও আন্তঃগাঁথনিৰ শুভ উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰা পাঁচটা নতুন ভৱনৰ ভিতৰত পাৱাৰ গ্ৰীড কৰ্পৰেশ্যন অৱ ইণ্ডিয়া লিমিটেডৰ সামাজিক দায়বদ্ধতাৰ পুঁজিৰ অধীনত ১৩.৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ১৫৬ খন বিছনাযুক্ত অতিথিশালাটো বিশ্ৰাম সদন নামেৰে নামাকৰণ কৰা হৈছে। এই অতিথিশালাটোত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন ৰোগীৰ পৰিচাৰকসকলৰ বাবে পুৰুষ আৰু মহিলাৰ ক্ষেত্ৰত পৃথক আৱাসৰ  সুবিধা উপলব্ধ হ'ব।

ইয়াৰ উপৰিও গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত অইল ইণ্ডিয়া লিমিটেডৰ আংশিক বিত্তীয় সাহায্যত ৬ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ৪৫০ খন আসনযুক্ত এটি অত্যাধুনিক প্ৰেক্ষাগৃহৰ শুভ উদ্বোধন কৰে। মহাবিদ্যালয়খনত নতুনকৈ সংযোজন হোৱা ১১.০৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৮৪ খন আসনযুক্ত ৪ নং আৱাসটোও মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৩.৩২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নাৰ্ছসকলৰ আৱাস  গৃহ আৰু ২.০৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা অধ্যক্ষৰ আৱাস গৃহটোও উদ্বোধন কৰে।

উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই শিক্ষা প্ৰতিষ্ঠানখনত নতুন আন্তঃগাঁথনি সংযোজন হোৱাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যাপক-কৰ্মচাৰী আৰু ছাত্ৰ-

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। এই সংযোজনসমূহে চৰকাৰক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বাবে দীৰ্ঘম্যাদী দৃষ্টিভংগী বাস্তৱায়িত কৰাত বহুখিনি সহায় কৰিব বুলি তেওঁ কয়।

নতুনকৈ স্থাপন হ'বলগীয়া গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয়ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰখনে দুখন চিকিৎসা মহাবিদ্যালয় লাভ কৰিলে সম্পদ আৰু সমল বিতৰণত সহায়ক হোৱাই নহয় বিভিন্ন ৰোগৰ চিকিৎসাধীন ৰোগীসকলো অপৰিসীমভাৱে উপকৃত হ'ব।

মুখ্যমন্ত্ৰীয়ে লগতে ঘোষণা কৰে যে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ছাত্ৰ-ছাত্ৰীসকলৰ দীৰ্ঘদিনীয়া খেলপথাৰৰ দাবীক অগ্ৰাধিকাৰ হিচাপে লোৱা হ'ব আৰু অতি সোনকালে সংশ্লিষ্ট বিভাগসমূহক প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰা হ'ব।

আজিৰ এই অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ অচ্যুত বৈশ্যও উপস্থিত থাকে।

**আয়ন / হেঃশঃ**
**১৫/১১/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in